**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------

১। আজি অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন। ক্ষন্তেক পাছতে সদনৰ কাৰ্যক্ৰমণিকা আৰম্ভ।

২। ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ আসন দুখনৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিন।

৩। মণিপুৰত সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ পাছত ৰাজ্যখনৰ ৫ খন জিলাত অনিৰ্দিষ্ট কালৰ বাবে সান্ধ্য আইন জাৰি।

৪। ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ কিছু সুস্থিৰ। ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক বানৰ কবলত।

*আৰু*

৫। ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাত স্পেইনৰ কাৰ্লছ আলকাৰাজৰ পুৰুষৰ একক শাখাত খিতাপ অৰ্জন।

০০০০০০

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন আজি অনুষ্ঠিত হ'ব। বিধানসভাৰ বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ডঃ ভূপেন হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে। ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীগোটৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি সদনে এই প্ৰস্তাৱ গ্ৰহণ কৰিব। শেহতীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰা গৌৰৱ গগৈয়ে বিধানসভাৰ বিশেষ অধিবেশনৰ প্ৰৱেশ পত্ৰ বিচাৰি বিধানসভাৰ অধ্যক্ষক আবেদন জনাইছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে প্ৰৱেশ পত্ৰ প্ৰদান কৰিছে। অধ্যক্ষৰ গেলাৰীৰ পৰা গৌৰৱ গগৈয়ে দৰ্শক হিচাপে বিধানসভাৰ কাৰ্যক্ৰমণিকা চাব পাৰিব। ইপিনে, এদিনীয়া এই অধিৱেশনৰ পূৰ্বে কালি শাসনাধিষ্ঠিত বিজেপি, মিত্ৰদল, অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আটাইকেইটা দলৰ শীৰ্ষ নেতৃবৃন্দ উপস্থিত থাকে। বৈঠকৰ পাছত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই এই অধিৱেশনত ডিব্ৰুগড় বিমান বন্দৰক ডঃ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণৰ সিদ্ধান্তক আদৰণি জনাই সাংবাদিকৰ আগত এইদৰে কয় –

**বাইট (দেৱব্ৰত)**

০০০০০০

ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ আসন দুখনৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিন। আজি বিয়লি ৩ বজাৰ পূৰ্বে প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ইতিমধ্যে শাসনাধিস্থিত এন ডি এই অহা ১৯ জুনত

হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ অসমৰ দুখন আসনৰ বাবে প্ৰাৰ্থী নাম চূড়ান্ত কৰিছে। বিজেপিয়ে কনাড পুৰকায়স্থ আৰু অগপই বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ইপিনে ৰাজ্যৰ বিৰোধী দল কংগ্ৰেছে এই নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা নাই। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত থকা বুলি দলটোৱে প্ৰকাশ কৰিছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছ্‌ন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত উকলি যাব।

০০০০০০

মণিপুৰত সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিৰ পাছত ৰাজ্যখনৰ পাঁচখন জিলাৰ সীমান্তৱৰ্তী অঞ্চলত ইণ্টাৰনেট আৰু মোবাইল সেৱা বন্ধ কৰাৰ উপৰি অনিৰ্দিষ্ট কালৰ বাবে সান্ধ্য আইন জাৰি কৰা হৈছে। ৰাজ্যখনত মেইতেই সংগঠন অৰম্বাই টেংগলৰ সদস্য কানন সিঙকে ধৰি পাঁচজন নেতাক গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি সম্প্ৰদায়টোৰ লোকসকলে কৰা প্ৰতিবাদৰ ফলত পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰে। ২০২৩ চনত ৰাজ্যখনত সংঘটিত হিংসাত্মক ঘটনাত উচটনি দিয়াৰ অভিযোগত নেতাকেইজনক চিবিআইয়ে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতেই ৰাজধানী ইম্ফলৰ কেইবা ঠাইটো প্ৰতিবাদকাৰীয়ে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰে। নেতাগৰাকীক ৰাজ্যৰ বাহিৰলৈ নিব পাৰে বুলি প্ৰকাশ পোৱাৰ পাছতে প্ৰতিবাদকাৰীয়ে ইম্ফল বিমান বন্দৰ ঘেৰাও কৰাৰ লগতে বিভিন্ন স্থানত অগ্নিসংযোগ কৰে। চিবিআইৰ সূত্ৰই প্ৰকাশ কৰা মতে মেইতেই সংগঠনৰ নেতাগৰাকীক ইম্ফলৰ পৰা গুৱাহাটীলৈ অনা হৈছে আৰু আৰক্ষীয়ে জিম্মাত লোৱাৰ বাবে তেওঁক আদালতত হাজিৰ কৰোৱা হ'ব। ৰাজ্যখনৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পাঁচখন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শনিবাৰে নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা এই নিষেধাজ্ঞা কাৰ্যকৰী হৈছে। পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবাল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। মণিপুৰৰ গৃহ বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰাপত্তাজনিত কাৰণত জিলাকেইখনত এই ব্যৱস্থা গ্ৰহণ কৰা হয়। এই নিষেধাজ্ঞা উলংঘা কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও প্ৰকাশ কৰা হৈছে। ৰাষ্ট্ৰপতিৰ শাসনত থকা ৰাজ্যখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই পৰিস্থিতি নিৰীক্ষণ কৰি আছে।

০০০০০০

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত প্ৰায় ২৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। কামৰূপ জিলাত বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পৰিপ্ৰেক্ষিতত কালিৰে পৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা আৰম্ভ কৰা হৈছে।

শ্ৰীভূমি জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও বহু লোক বানৰ কবলত পৰি শিবিৰত আশ্ৰয় লৈ আছে। বানৰ বাবে শ্ৰীভূমি জিলাৰ ২৭ টা সাহায্য শিবিৰত মুঠ ৭ হাজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে।

চৰকাৰী সাহায্য শিবিৰৰ উপৰি জিলাখনৰ ভিন্ন স্থানত বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য সামগ্ৰী বিতৰণৰ কাম অব্যাহত আছে। অৱশ্যে জিলাখনৰ বহুস্থানত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হোৱাত বদৰপুৰৰ পৰা কাটিগড় সংযোগী ফেৰীসেৱা পুনৰ আৰম্ভ কৰা হৈছে।

কাছাৰ জিলাত বানৰ ফলত ২০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে আৰু দুজন লোকে প্ৰাণ হেৰুৱাইছে। কমেও ৭০খন গাঁৱত পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই আৰু শিলচৰৰ ২০টা আশ্ৰয় শিবিৰত ভালেসংখ্যক লোকে আশ্ৰয় লৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সাম্প্ৰতিক বান পৰিস্থিতি উন্নত হৈছে। জিলাখনত বানৰ ফলত ৪৬খন গাঁৱৰ ১২ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

oooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। প্ৰতিগৰাকী নাগৰিকৰ দৈনন্দিন জীৱন কেনেদৰে সুচল, সুৰক্ষিত হৈ পৰিছে সেই বিষয়ে আজিৰ শিতানত আমি আলোকপাত কৰিবলৈ লৈছো।

**ভইচ**

oooooo

বাৰিষাৰ পৰিপ্ৰেক্ষিতত মানস ৰাষ্ট্ৰীয় উদ্যানত হাতী চাফাৰী আৰু ৰিভাৰ ৰাফ্‌টিং পৰ্যটকৰ বাবে বন্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে এখন জাননীযোগে এই কথা সদৰি কৰিছে। লগতে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ বন সংমণ্ডল বিষয়া বাৰীন বড়োৱে ২০ জুনলৈকেহে উদ্যানখনত জীপ চাফাৰী চলিব বুলি উল্লেখ কৰে। অক্টোবৰত পুনৰ পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰাৰ সম্ভাৱনা আছে বুলিও তেওঁ উল্লেখ কৰে।

বাইট (বাৰীন বড়ো)

oooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। প্ৰতিগৰাকী নাগৰিকৰ দৈনন্দিন জীৱন কেনেদৰে সুচল, সুৰক্ষিত হৈ পৰিছে সেই বিষয়ে আজিৰ শিতানত আমি আলোকপাত কৰিবলৈ লৈছো।

**ভইচ**

oooooo

শিৱসাগৰত কালিৰে পৰা ৱাটাৰ প'ল' খেলৰ ৰাজ্যিক বাছনি শিবিৰ অনুষ্ঠিত হৈছে। শিৱসাগৰ নগৰৰ সমীপৰ বাঢ়েটিঙত জিলা সাঁতোৰ সন্থাৰ উদ্যোগত আৰু অসম সাঁতোৰ সন্থাৰ তত্বাৱধানত অনুষ্ঠিত এই শিবিৰ কালি অসম সাঁতোৰ সন্থাৰ উপ-সভাপতি দেৱ হাজৰিকাই উদ্বোধন কৰে। এসপ্তাহ ধৰি চলিবলগীয়া এই শিবিৰৰ পৰা জুলাইৰ প্ৰথম ভাগত আহমেদাবাদ আৰু কলকাতাত অনুষ্ঠিত হ'বলগীয়া ৱাটাৰ প'ল' খেলৰ বাবে অসম দল নিৰ্বাচন কৰা হ'ব। ল'ৰা আৰু ছোৱালীৰ জুনিয়ৰ আৰু ছিনিয়ৰ দুটা শাখাৰ বাবে খেলুৱৈ নিৰ্বাচনৰ উদ্দেশ্যে

অনুষ্ঠিত হোৱা এই শিবিৰত গুৱাহাটী, তিতাবৰ, যোৰহাটকে ধৰি ৰাজ্যৰ ছখন জিলাৰ নিৰ্বাচিত ৪০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এই বাছনি শিবিৰ সন্দৰ্ভত অসম সাঁতোৰ সন্থাৰ যুটীয়া সম্পাদক চন্দনজ্যোতি ফুকনে এইদৰে কয়–

**বাইট (চন্দনজ্যোতি ফুকন)**

০০০০০০

টেনিছত স্পেইনৰ কাৰ্লোছ আলকাৰাজে যোৱা নিশা বিশ্বৰ **১** নম্বৰ স্থানত থকা খেলুৱৈ ইটালীৰ জানিক চিনাৰক পাঁচ ছেটত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে দুটা ছেট পিছপৰি তিনিটা চেম্পিয়নশ্বিপ পইণ্টৰ সন্মুখীন হোৱা বৰ্তমানৰ চেম্পিয়ন আলকাৰাজে পৰাজয়ৰ দিশে অগ্ৰসৰ হৈছিল। কিন্তু গ্ৰেণ্ড শ্লেমৰ ইতিহাসৰ অন্যতম ৰোমাঞ্চকৰ ফাইনেল খেলখনত ৪-৬, ৬-৭, ৬-৪, ৭-৬, ৭-৬ চেটত ২২ বছৰীয়া স্পেনিছ খেলুৱৈগৰাকীয়ে অৱশেষত জয়লাভ কৰে। ইয়াৰ লগে লগে আলকাৰাজে দ্বিতীয়টো ৰ'লেণ্ড গাৰোছৰ মুকুট নিশ্চিত কৰাৰ লগতে একেৰাহে পাঁচখন ফাইনেলত অপৰাজিত হৈ পঞ্চমটো গ্ৰেণ্ড শ্লেম খিতাপো নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বে চাৰা এৰানি আৰু জেচমিন পাওলিনীৰ ইটালীৰ যুটিটোৱে মহিলাৰ ডাবলছত জয়লাভ কৰে। ফাইনেলত এই যুটিটোৱে কাজাখস্তানৰ আন্না ডানিলিনা আৰু ছাৰ্বিয়াৰ আলেকজেন্দ্ৰা ক্ৰুনিকৰ যুটিটোক ৬-৪, ২-৬, ৬-**১** ছেটত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰে।

০০০০০০

মণিপুৰত আৰম্বাই টেংগল নামৰ এটা মেইটেই সংগঠনৰ নেতাক গ্ৰেপ্তাৰৰ প্ৰতিবাদত ৰাজ্যখন অগ্নিগৰ্ভা হৈ পৰিছে আৰু পাঁচখন জিলাত সান্ধ্য আইন বলবতৰ লগতে ইন্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। ইম্ফলত সহস্ৰাধিক লোকে এই ঘটনাৰ প্ৰতিবাদত হিংসাত্মক বিক্ষোভ প্ৰদৰ্শন কৰা বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিয়ে পৃথক শিৰোনামেৰে **দৈনিক অসম আৰু দৈনিক জনমভূমি** কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। ঈদৰ সময়ত কেবাটাও স্থানত দুস্কৃতিকাৰীয়ে গো-মাংস পেলোৱাক কেন্দ্ৰ কৰি কালি হোজাই, শ্ৰীভূমি আদি অঞ্চলত পথ অৱৰোধ তথা সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি হয়। এই বাতৰিটোক **আমাৰ অসম** কাকতে **বাটে-ঘাটে গো-মাংস, সাম্প্ৰদায়িক অশান্তি সৃষ্টিৰ ব্যৰ্থ চেষ্টা** শিৰোনামেৰে পৰিৱেশন কৰিছে। নীপকোৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কালি লখিমপুৰৰ পাঁচনৈত ৰঙানদীৰ বানপীড়িতসকলে ক্ষতিপুৰণৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। ভাৰতৰত্ন ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড় বিমান বন্দৰৰ নামকৰণ সন্দৰ্ভত আজি অসম বিধানসভাৰ বিশেষ অধিৱেশনৰ আয়োজন কৰা বাতৰিটোক **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। নুনমাটি-দীঘলী পুখুৰী সংযোগী উৰণসেতুৰ বাবে গছ কটাৰ বিৰোধীতাৰে সচেতন নাগৰিক আৰু শিক্ষাৰ্থী সমাজে কালি নিশা দীঘলীপুখুৰীত গীত গাই প্ৰতিবাদ কৰা এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি কভিড আক্ৰান্তৰ সংখ্যাই দেশত ছয় হাজাৰৰ ঘৰ অতিক্ৰম কৰিছে আৰু বিগত ২৪ঘন্টাত নতুনকৈ সাত শতাধিক লোক আক্ৰান্ত হৈছে। **দ্যা আচাম ট্ৰিব্ৰিউন** কাকত আৰু THE TIMES OF INDIA কাকতত এই বাতৰিটোৱে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

০০০০০০

নগাঁও জিলাৰ কলিয়াবৰ-তেজপুৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত পথ দুৰ্ঘটনাত দুজন লোক থিতাতে নিহত হয়। কলিয়াবৰৰ উলুৱনী থানাৰ হাতীবন্ধাৰ সমীপৰ দলাপানীত তীব্ৰবেগী ট্ৰাক আৰু মটৰচাইকেলৰ মাজত খুন্দা লগাৰ ফলত মটৰচাইকেল আৰোহী দুজন থিতাতে নিহত হয়। নিহত লোক দুজন ৰূপহীহাট থানাৰ অন্তৰ্গত আনাৰুল হক আৰু আছিকুল ইছলাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ঘটনা সংঘটিত কৰি ট্ৰাকখন পলায়ন কৰে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

বিশিষ্ট সাংবাদিক অচ্যুৎ হাজৰিকাৰ আজি পুৱা বোকাখাতৰ নিউ কল’নিৰ বাসগৃহত হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। সাংবাদিকগৰাকীৰ শেষকৃত্য তেওঁৰ ঘাইঘৰ জখলাবন্ধাত সম্পন্ন কৰা হ’ব বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে। আজিৰ দিনটোত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ২ৰ পৰা ৩ ডিগ্ৰী উষ্ণতা বৃদ্ধি পাব বুলিও কেন্দ্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত